# NSD NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 5-08-2025
**Time:** 1340 Hrs

## *Assamese Midday Bulletin*
## *Headlines*

১। বিহাৰৰ ভোটাৰ তালিকাৰ বিশেষ সংশোধনীক কেন্দ্ৰ কৰি বিৰোধী দলসমূহে সৃষ্টি কৰা হুলস্থূলীয়া পৰিৱেশৰ পৰিপ্ৰেক্ষিতত সংসদৰ দুয়োখন সদনৰ কামকাজ আজি দিনৰ দুই বজা পৰ্যন্ত স্থগিত ৰখা হয়।

২।  কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কয়, যে চৰকাৰে বিগত ১১ বছৰত কৃষকৰ আয় বৃদ্ধিৰ বাবে ভালেমান ব্যৱস্থা গ্ৰহণ কৰিছে।

৩। নতুন দিল্লীৰ সংসদ ভৱন চৌহদত আজি এন ডি এৰ সংসদীয় দলৰ বৈঠক অনুষ্ঠিত হয়। *আৰু*

৪। নতুন দিল্লীৰ হায়দৰাবাদ ভৱনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে ভ্ৰমণৰত ফিলিপাইনছৰ ৰাষ্ট্ৰপতি ফাৰ্ডিনান্ড ৰোমুঅ'লডেজ মাৰ্ক'ছ জুনিয়ৰৰ দ্বিপাক্ষিক বৈঠক চলি আছে।

০০০০০

বিহাৰৰ ভোটাৰ তালিকাৰ বিশেষ সংশোধনীক কেন্দ্ৰ কৰি বিৰোধী দলসমূহে সৃষ্টি কৰা হুলস্থূলীয়া পৰিৱেশৰ পৰিপ্ৰেক্ষিতত সংসদৰ দুয়োখন সদনৰ কামকাজ আজি দিনৰ দুই বজা পৰ্যন্ত স্থগিত ৰখা হয়। বিৰোধী সাংসদসকলে এই বিষয়টোৰ সদনত আলোচনা হোৱাটো বিচাৰিছিল।

লোকসভাৰ কামকাজ দিনৰ ১১ বজাত আৰম্ভ হোৱাৰ লগে লগে কংগ্ৰেছ, ডি এম কে, টি এম চি আৰু অন্যান্য বিৰোধী দলৰ সদস্যসকলে শ্লোগান দিবলৈ আৰম্ভ কৰে। হুলস্থূলৰ মাজতে অধ্যক্ষ ওম বিৰলাই প্ৰশ্নোত্তৰ কাল চলাই নিয়াৰ চেষ্টা কৰে। বিৰোধী

সদস্যসকলে পূৰ্ব পৰিকল্পিতভাৱে সদনৰ কামকাজত ব্যাঘাত জন্মাইছে বুলি অধ্যক্ষ বিৰলাই অভিযোগ কৰে। তেওঁ কয়, যে প্ৰতিবাদকাৰী সাংসদসকলে প্ৰদৰ্শন কৰা আচৰণ সংসদীয় গনতন্ত্ৰৰ বাবে গ্ৰহণযোগ্য নহয়। এই হুলস্থূলীয়া পৰিৱেশ অব্যাহত থকাত অধ্যক্ষই সদনৰ কামকাজ দিনৰ দুই বজালৈকে স্থগিত ৰাখে।

ইয়াৰ পূৰ্বে সদনে সদ্য প্ৰয়াত ঝাৰখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শিবু চোৰেন, প্ৰাক্তন সাংসদদ্বয় তিলকধাৰী প্ৰসাদ সিং আৰু ৰাম ৰতি বিন্দৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনায়।

ৰাজ্যসভাতো অনুৰূপ পৰিস্থিতিৰ উদ্ভৱ হয়। সদনৰ কামকাজ দিনৰ ১১ বজাত আৰম্ভ হোৱাৰ সময়তে বিৰোধী দলসমূহে ভোটাৰ তালিকাৰ বিশেষ সংশোধনীক লৈ আলোচনাৰ দাবী কৰে। বিৰোধী সাংসদসকলে সদনৰ ভিতৰত চি আই এছ এফৰ জোৱান নিয়োগক লৈয়ো প্ৰশ্ন উত্থাপন কৰে। ৰাজ্যসভাৰ বিৰোধী দলপতি মল্লিকাৰ্জুন খাৰ্গেয়ে কয়, যে তেওঁ বিৰোধী দলসমূহৰ হৈ উপ-সভাপতিলৈ পত্ৰ প্ৰেৰণ কৰিছে। তেওঁ বিৰোধীৰ প্ৰতিবাদৰ সময়ত চি আই এছ এফৰ উপস্থিতিকলৈও প্ৰশ্ন কৰে। প্ৰত্যুত্তৰত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে কয়, যে সদনৰ ভিতৰত কেৱল মাৰ্চালহে প্ৰৱেশ কৰিব পাৰিব বুলি ৰেকৰ্ডত স্পষ্টকৈ আছে। তেওঁ সদনক মিছা কথাৰে বিপথে পৰিচালিত কৰা বুলি খাৰ্গেৰ বিৰুদ্ধে অভিযোগ কৰে। উপ-সভাপতি হৰিবংশে সদনত অব্যাহত থকা অবাঞ্চনীয় পৰিৱেশ সন্দৰ্ভত কয়, যে একাংশ সাংসদে সম্পূৰ্ণ পৰিকল্পিতভাৱে সদনৰ কামকাজ বাধাগ্ৰস্ত কৰি আহিছে। বিৰোধীৰ প্ৰতিবাদ চলি থকাৰ পৰিপ্ৰেক্ষিতত উপসভাপতিয়ে ৰাজ্যসভা দিনৰ দুই বজালৈকে স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

ooooo

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কয়, যে চৰকাৰে বিগত ১১ বছৰত কৃষকৰ আয় বৃদ্ধিৰ বাবে ভালেমান ব্যৱস্থা গ্ৰহণ কৰিছে। লোকসভাৰ প্ৰশ্ন কালত আজি পৰিপূৰক উত্তৰ দি শ্ৰী চৌহানে কয়, যে প্ৰধানমন্ত্ৰী কিষাণ সম্মান নিধিৰ অধীনত কৃষকসকলৰ বেংক একাউণ্টত চাৰি লাখ কোটি টকা পোনপটীয়াকৈ হস্তান্তৰ কৰা হৈছে। তেওঁ কয়, চৰকাৰী কৃষকসকলক চৈধ্য লাখ কোটিৰো অধিক টকাৰ সাৰ ৰাজসাহায্যও প্ৰদান কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীৰ কৰ্তব্য পথত কৰ্তব্য ভৱন মুকলি কৰিব। এই উপলক্ষে প্ৰধানমন্ত্ৰীগৰাকীয়ে এখন জনসভাতো ভাষণ দিব। ছেন্ট্ৰেল ভিষ্টা প্ৰকল্পৰ অংশ হিচাপে এই ভৱন নিৰ্মাণ কৰি উলিওৱা হৈছে। প্ৰশাসনিক প্ৰক্ৰিয়াসমূহ সুশৃংখল কৰাৰ লক্ষ্যৰে ৰূপায়ণ কৰি থকা সাধাৰণ কেন্দ্ৰীয় সচিবালয় ভৱন নিৰ্মাণ প্ৰকল্পৰ অংশ হিচাপে কৰ্তব্য ভৱন সাজি উলিওৱা হৈছে।

প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে এটা বিবৃতিৰ জৰিয়তে জনোৱা অনুসৰি ডেৰ লাখ বৰ্গমিটাৰ এলেকাজোৰা এই ভৱনটো মোদী চৰকাৰৰ আধুনিক, দক্ষ আৰু নাগৰিককেন্দ্ৰিক শাসন ব্যৱস্থাৰ প্ৰতি থকা দায়বদ্ধতাৰ মাইলৰ খুঁটি হিচাপে পৰিগণিত হ'ব।

ooooo

নতুন দিল্লীৰ সংসদ ভৱন চৌহদত আজি এন ডি এৰ সংসদীয় দলৰ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, গৃহমন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি তথা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডা আৰু এন ডি এৰ সাংসদসকল উপস্থিত থাকে। বৈঠকত প্ৰধানমন্ত্ৰী মোদীক সাংসদসকলে অপাৰেচন সিন্দূৰ আৰু অপাৰেচন মহাদেৱৰ সাফল্যৰ বাবে সম্বৰ্ধনা জনায়। এই অভিযানসমূহৰ সাফল্যৰ সন্দৰ্ভত এন ডি এৰ সাংসদসকলে সৰ্বসন্মতভাৱে এটা প্ৰস্তাৱ গ্ৰহণ কৰি সশস্ত্ৰ বাহিনীৰ ভূমিকাৰ প্ৰশংসা কৰে। লগতে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণত প্ৰাণ হেৰুওৱাসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

এন ডি এৰ সংসদীয় দলৰ প্ৰস্তাৱত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অতুলনীয় নেতৃত্বৰ প্ৰসংশা কৰি কোৱা হয় যে তেওঁৰ নেতৃত্বই সকলো ভাৰতীয়ৰ হৃদয়ত একতা আৰু গৌৰৱৰ ভাব জাগৰিত কৰিবলৈ সমৰ্থ হৈছে। অপাৰেচন সিন্দূৰৰ সময়ত প্ৰধানমন্ত্ৰীয়ে গ্ৰহণ কৰা প্ৰতিৰক্ষা সংস্কাৰক লৈয়ো বৈঠকত আলোচনা হয়। প্ৰস্তাৱত কোৱা হয়, যে এন ডি এ চৰকাৰে এখন শক্তিশালী, উন্নত আৰু শান্তিপূৰ্ণ বিকশিত ভাৰত গঢ়ি তোলাৰ বাবে অক্লান্তভাৱে কাম কৰি আছে।

ooooo

নতুন দিল্লীৰ হায়দৰাবাদ ভৱনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে ভ্ৰমণৰত ফিলিপাইনছৰ ৰাষ্ট্ৰপতি ফাৰ্ডিনান্ড ৰোমুঅ'লডেজ মাৰ্ক'ছ জুনিয়ৰৰ দ্বিপাক্ষিক বৈঠক চলি আছে। বিদেশ মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি দুয়োখন দেশৰ মাজত সভ্যতা, ইতিহাস আৰু জনসংযোগৰ জৰিয়তে ঘনিষ্ঠ সম্পৰ্ক আছে। ইয়াৰ পূৰ্বে আজি ৰাজঘাটলৈ গৈ

**ফিলিপাইনছৰ ৰাষ্ট্ৰপতিগৰাকীয়ে মহাত্মা গান্ধীৰ সমাধিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পূৰ্বে আজি পুৱা শ্ৰী মাৰ্ক'ছক ৰাষ্ট্ৰপতি ভৱনত আনুষ্ঠানিকভাৱে আদৰণি জনোৱা হয়। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁক গাৰ্ড অৱ অনাৰ প্ৰদান কৰে।**

আজিৰ বৈঠকত উভয় দেশৰ মাজত থকা বিভিন্ন সম্পৰ্কৰ পৰ্যালোচনা কৰা হ'ব। ভাৰত আৰু ফিলিপিনছৰ মাজত থকা দ্বিপাক্ষিক বাণিজ্যৰ পৰিমাণে ২০২৩-২৪ বিত্তীয় বৰ্যত ৩৫০ কোটি ইউ এছ্ ডলাৰ স্পৰ্শ কৰিছিল। ফিলিপিনছত তথ্য প্ৰযুক্তি, স্বাস্থ্য, বস্ত্ৰ, আন্তঃগাঁথনি, কৃষি আদিকে ধৰি বিভিন্ন ক্ষেত্ৰত ভালেমান ভাৰতীয় কোম্পানীয়ে চকুত লগা ধৰণে কাম কৰি আছে। **দুয়োগৰাকী নেতাৰ মাজত হোৱা আলোচনাই দ্বিপাক্ষিক অংশীদাৰিত্ব যথেষ্ট গভীৰ কৰি তুলিব বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আশা প্ৰকাশ কৰে।**

ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে তেওঁৰ পত্নী লুইছ্ আৰানেটা মাৰ্কোছ্ আৰু কেইবাগৰাকীও কেবিনেট মন্ত্ৰী, জ্যেষ্ঠ বিষয়া আৰু ব্যৱসায় প্ৰতিনিধিৰ এটা উচ্চ পৰ্যায়ৰ দলো ভাৰতলৈ আহিছে। ফিলিপিনছৰ ৰাষ্ট্ৰপতি হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত শ্ৰীমাৰ্কোছৰ এয়া প্ৰথম ভাৰত ভ্ৰমণ।

উভয় দেশৰ মাজত ১৯৪৯ চনৰ নৱেম্বৰত কূটনৈতিক সম্পৰ্ক গঢ় লৈ উঠিছিল। তেতিয়াৰে পৰা দেশ দুখনৰ মাজত ব্যৱসায়, বিনিয়োগ, প্ৰতিৰক্ষা, নিৰাপত্তা, সামুদ্ৰিক সহযোগিতা, কৃষি, স্বাস্থ্যসেৱা আৰু ডিজিটেল প্ৰযুক্তি আদি বিভিন্ন ক্ষেত্ৰত বন্ধুত্বপূৰ্ণ সম্পৰ্ক আছে। এক্ট-ইষ্ট নীতি, ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ প্ৰতি থকা দৃষ্টিভংগীৰ ক্ষেত্ৰত ফিলিপিনছৰ সৈতে ভাৰতৰ সম্পৰ্ক বিশেষভাৱে গুৰুত্বপূৰ্ণ। এই ভ্ৰমণে দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সহযোগিতা আৰু পাৰস্পৰিক স্বাৰ্থজড়িত আঞ্চলিক তথা আন্তঃৰাষ্ট্ৰীয় বিষয়সমূহৰ ক্ষেত্ৰত থকা সম্পৰ্কক অধিক শক্তিশালী কৰাৰ সুযোগ **দিব** বুলি আশা কৰা হৈছে।

০০০০০

মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনাৰ বাবে চলি থকা বিশেষ পঞ্জীয়ন অভিযান অহা ১৫ আগষ্টলৈ বৃদ্ধি কৰিছে। অংগনবাড়ী আৰু আশাকৰ্মীসকলৰ নেতৃত্বত চলি থকা এই অভিযানৰ লক্ষ্য হৈছে সকলো যোগ্য গৰ্ভৱতী মহিলা তথা সন্তানক দুগ্ধপান কৰোৱা মাকৰ ওচৰ চপা তথা তেওঁলোকক এই যোজনাৰ অধীনত সময়মতে পঞ্জীয়ন নিশ্চিত কৰা। মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি এই যোজনাৰ অধীনত পুষ্টিকৰ খাদ্যৰ যোগান আৰু স্বাস্থ্যসন্মত আচৰণ উন্নত কৰাৰ বাবে এনে মহিলাসকলক আৰ্থিক সাহায্য প্ৰদান কৰা হয়। এই যোজনাই কন্যা সন্তানৰ প্ৰতি ইতিবাচক মনোভাৱৰ প্ৰসাৰৰ ক্ষেত্ৰতো গুৰুত্ব দি আহিছে। মন্ত্ৰালয়ে কয়, যে এই যোজনাৰ আৰম্ভণিৰ পৰা বৰ্তমানলৈকে ৪ কোটি ৫ লাখৰো অধিক হিতাধিকাৰীক কমেও এবাৰকৈ আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে। এই পৰ্যন্ত প্ৰত্যক্ষ লাভ হস্তান্তৰ ব্যৱস্থাৰ জৰিয়তে বেংক অথবা ডাকঘৰত থকা হিতাধিকাৰীসকলৰ একাউণ্টত মুঠ ১৯ হাজাৰ ২৮ কোটি ধন প্ৰদান কৰা হৈছে।

০০০০০

পেহেলগাম আক্ৰমণৰ সৈতে জড়িত আক্ৰমণকাৰীৰ পৰিচয় পটভূমি সন্দৰ্ভত কোনোধৰণৰ প্ৰতিবেদন প্ৰকাশ কৰা নাই বুলি প্ৰতিৰক্ষা মন্ত্ৰালয়ে জানিবলৈ দিছে। এই সম্পৰ্কে মন্ত্ৰালয়ে বিবৃতি প্ৰকাশ কৰা বুলি সামাজিক মাধ্যমত চলি থকা চৰ্চা নুই কৰা হৈছে। মন্ত্ৰালয়ে কয়, যে সশস্ত্ৰ বাহিনীৰ সৈতে জড়িত কোনো ধৰণৰ বিবৃতি প্ৰকাশ কৰা হোৱা নাই। মন্ত্ৰালয়ে লগতে কয়, যে পেহেলগাম আক্ৰমণৰ সৈতে জড়িত সন্ত্ৰাসবাদী সন্দৰ্ভত সশস্ত্ৰ বাহিনীৰ জনসংযোগ কাৰ্যালয় নাইবা কোনো মনোনীত মুখপাত্ৰই একো মন্তব্য কৰা নাই। আক্ৰমণৰ ঘটনাৰ পাছত মুকলি উৎসৰ পৰা সংগ্ৰহ কৰা বিভিন্ন তথ্যৰ সংকলনৰ পৰাহে প্ৰশ্ন উত্থাপিত বিবৃতিটো প্ৰচাৰ কৰি থকা যেন লগা হৈছে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

ooooo

সমাপ্ত